# প্ৰশিক্ষণ প্ৰাপ্ত পৰিচাৰকৰ কাৰণে নিৰ্দ্দেশাৱলী

**প্ৰশিক্ষাৰ্থীসকলক পৌল-তীমথিয় অধ্যয়ন ব্যৱহাৰ কৰাত সহায়**

**এই অধ্যয়ন বিলাক মই কিদৰে ব্যৱহাৰ কৰিম ?**



পবিত্ৰ আত্মাৰ পৰিচালনাৰ বাবে অনুগ্ৰহ কৰি ক্ষন্তেক সময় প্ৰাৰ্থনাৰ নিমিত্তে লওঁক।

১। **পঢ়াশালিৰ কোঠা নহয় কিন্তু কাম কৰোঁতে আৰু যাত্ৰা কৰোতে যীচু আৰু পাচনিবিলাকৰ দৰে এজন শিক্ষকে নতুন চলাওঁতাসকলক প্ৰশিক্ষণ দিছিল।**

- লোকবিলাকৰ লগত কাম কৰোঁতে আপোনাৰ শিক্ষকে কি কৰে লক্ষ্য কৰক। আপুনি কি কৰে তাকে তেওঁ লক্ষ্য কৰে।
- বিশ্বাসীসকলৰ প্ৰয়োজনত খাপ খুৱাকৈ আৰু নতুন ঠাইত ঈশ্বৰৰ কাৰ্য্য আগবঢ়াই নিবলৈ অধ্যয়নবিলাকক বাচি নিয়াত আৰু পিছৰ সপ্তাহকেইটাত কামৰ আঁচনি কৰাত আপোনাৰ শিক্ষকৰ সহায় লওক।
- আপুনি ও আপোনাৰ মণ্ডলীয়ে কৰা কামৰ ৰিপোৰ্ট তেওঁক দিয়ক। আপোনাৰ অপৰাগতা আৰু সমস্যা সৰলভাৱে অবগত কৰক। আপুনি আপোনাৰ অপৰাগতাৰ সম্পৰ্কে ক'বলৈ লাজ কৰিলে, তেওঁ আপোনাক সহায় কৰিব নোৱাৰে।
- আপোনাৰ মণ্ডলীয়ে এতিয়াও পিছ থকা পৰিচৰ্য্যাত সহায় হোৱা অধ্যয়নবোৰ বাচি লওক।
- প্ৰথমে, আপুনি আপোনাৰ শিক্ষকক সপ্তাহত এবাৰ বা দুবাৰ লগ ধৰিব। পিছলৈ এমাহত এবাৰ অথবা দুবাৰ লগ ধৰিব। তাৰ পিছত, যেতিয়ালৈকে আপোনাক সহায়ৰ প্ৰয়োজন হয় তেতিয়ালৈকে তিনি বা চাৰিমাহৰ মূৰত এবাৰ লগ ধৰিব।
- আমি ইজনে সিজনক শুধৰাব লাগে (কলচীয়া ৩ঃ১৬) আৰু ইজনে সিজনৰ আগত আমাৰ ভুল স্বীকাৰ কৰিব লাগে (যাকোব ৫ঃ১৬)। ইয়াৰ অৰ্থ এইয়ে যে আমি অন্য চলাওঁতাৰ উপদেশ গ্ৰহণ কৰোঁ আৰু তেওঁলোকৰ সত্য সমালোচনা মানি লওঁ। আমাক এনে ধৰণৰ পৰিদৰ্শন লাগে, যাৰ দ্বাৰাই প্ৰত্যেকৰে পৰিচৰ্য্যা বাইবেল সন্মত বুলি চলাওঁতাসকলে জানিব। ইয়াৰ দ্বাৰা আমাৰ পৰিচালনাৰ কৌশল বৃদ্ধি পোৱাত সহায় হব, আৰু মানুহবিলাকৰ ওপৰত স্বাৰ্থজনিত বা দুঃখদায়ক শাসনৰ পৰা আতঁৰি থাকিব পাৰিব।
- তেওঁ কি কৰিছে তাক আনে নোচোৱা আৰু পৰামৰ্শ নোলোৱাকৈ যদি তেওঁ ঈশ্বৰৰ পৰিচৰ্য্যা কৰে, তেনে চলাওঁতাজনক অতি বিপদজনক ভাবে মূৰ্খ। অনেক মণ্ডলীবিলাকত এনে কাৰ্য্যই ভয়ানক বিপত্তি আনে।

২। **অন্য চলাওঁতা বিলাককো নিয়মীয়াকৈ লগ ধৰক।**

- আপোনাৰ অঞ্চলৰ অন্য চলাওঁতাবিলাকক লগ ধৰক। তেওঁলোকৰ লোকবিলাকে কি কৰিছে, আটাই চলাওঁতাবিলাকে ৰিপোৰ্ট দিয়া উচিত। আপোনাৰ পৰিচৰ্য্যা কাৰ্য্য তেওঁলোকক পৰীক্ষা কৰি চাবলৈ দিয়ক। আপুনিও তেওঁলোকৰ কাৰ্য্যক পৰীক্ষা কৰক।
- চলাওঁতাবিলাকে নিজৰ কামৰ আৰু আত্মিক বৃদ্ধিৰ পৰ্য্যালোচনা কৰক। কামৰ বৃদ্ধিৰ কাৰণে ইজনে সিজনক সহায় কৰক। নতুন নিয়মে পৰস্পৰে সহায় কৰাত এইবোৰ আজ্ঞা দিছে - পৰস্পৰে শুধৰোৱা, ক্ষমা কৰা, ইজনে সিজনক নিজৰ ভুল স্বীকাৰ কৰা, ইজনে সিজনৰ ভাৰ বোৱা আদি অনেক "ইজনে সিজনৰ" আজ্ঞা দিছে।
- পৰস্পৰে সত্যবাদী হওঁক। যদি কোনো জনৰ ভুল আছে, প্ৰেমেৰে তেওঁক শুধৰাওক। আপোনাকো আনক শুধৰাবলৈ দিয়ক। এনেদৰে বৃদ্ধি পোৱাত পবিত্ৰ আত্মাই আমাক সহায় কৰে।

**৩। আন নতুন চলাওঁতাবিলাকৰ শিক্ষক হওক।**

- যিমান পাৰে সোনকালে নতুন পালকসকলক আপুনি শিক্ষা দিবলৈ আৰম্ভ কৰক। তেওঁলোকৰ কিছুমানে আপোনাৰ মণ্ডলীৰ কামত, সহ-কৰ্ম্মী পালকৰূপে উপাসনা চলাওঁতা আৰু ডিকন হিচাপে আপোনাক সহায় কৰিব। আন বিলাকে নতুন মণ্ডলী আৰম্ভ অথবা পৰিচৰ্য্যা কৰিব।
- তেওঁলোকে কি কৰিছে, আৰু তেওঁলোকৰ আঁচনি সম্পৰ্কে কথা পাতিব।
- মণ্ডলীৰ প্ৰয়োজন পূৰ কৰিবলৈ অধ্যয়ন বাচি লোৱাত তেওঁবিলাকক সহায় কৰিব।
- যিমান দিনলৈ তেওঁবিলাকৰ প্ৰয়োজন সহায় কৰক। ২তীমথিয় ২ঃ২ পদত লিখা আছে যে তোমালোকে আন পালকক শিক্ষা দিয়া। পৌলে তীতক নিৰ্দ্দেশ দিয়াৰ দৰে আপুনিও হয়তো নতুন পালকক নাম দিব পাৰে।
- তীত ১ঃ৫-৯ পদত দিয়া গুণবোৰ নতুন পালকৰ হোৱা উচিত। তেওঁলোকক প্ৰথমে প্ৰমান কৰা উচিত। এই প্ৰমাণ কৰাৰ এটা উপায় হৈছে - তেওঁলোকে আনক চলাওঁতা / পালক কৰাত নিশ্চিত হোৱা আৰু নিজৰ পৰিয়ালক পৰিচালনা কৰিবলৈ আৰম্ভ কৰা। যদিহে তেওঁবিলাকে এনেদৰে কৰে, তেন্তে হয়তো এটি মণ্ডলী ভালদৰে পৰিচৰ্য্যা কৰিব পাৰিব।
- তেওঁলোকে পৰিচৰ্য্যা কৰিব পৰা নিশ্চিত হ'লে, নতুন নাম দিয়ক আৰু শিকাওক। ১তীমথিয় ৩ঃ১-৭ পদত লিখা আছে, নতুনকৈ খ্ৰীষ্টক গ্ৰহণ কৰা লোকক তত্ত্বাৱধায়ক নাম দিব নালাগে। কোনো এক নিৰ্দিষ্ট সময় পৌলে দিয়া নাই। কাৰণ কোনো কোনো বিশ্বাসী তিনি সপ্তাহতে বিশ্বাসত অতি পৰিপক্ক হৈ উঠে আৰু আন কোনো জনমত ত্ৰিশ (৩০) বছৰেও নহয়গৈ। পৌলে নিজে গালাতীয়ত কেই সপ্তাহমানতে নতুন মণ্ডলীৰ নতুন চলাওঁতাৰ নাম দিছিল (পাঁচনিৰ কৰ্ম্ম ১৪ অধ্যায়)। আন্তিয়খৰ আন চলাওঁতাবিলাকক শিক্ষা দিবলৈ - যিসকলে চলাওঁতাবিলাকক প্ৰশিক্ষণ দিয়ে সেই নিৰ্দ্দেশাৱলী পঢ়ক। (পাঁচনিৰ কৰ্ম্ম ১১ঃ২৫-২৬ , ১৩ঃ১-৩ )

**৪। আপোনাৰ লোকবিলাকে বৰ্ত্তমান আকৃষ্ট হোৱা আৰু প্ৰয়োজন থকা অধ্যয়নৰ ভাগবিলাক আৰু কাম-কাজবোৰ বাচি লওক।**

**(Paul Timothy User's Menu অথবা www.Paul-Timothy.net. ৰ পৰা Download Menu) সম্ভৱ হলে এনেদৰে চাবলৈ আপোনাৰ প্ৰশিক্ষকক কওক। আপোনাৰ ৰুচি অনুযায়ী বাচি লব (ওপৰত দিয়া নিৰ্দ্দেশবোৰ পঢ়ক)।**

- আপোনাৰ লোকবিলাকৰ বৰ্ত্তমানৰ প্ৰয়োজন আৰু আনৰ পৰিচৰ্য্যা কৰাৰ সুযোগ যোগাবলৈ প্ৰাৰ্থনা সহকাৰে User's Menu (কম্পিউটাৰৰ) পৰা অধ্যয়নবিলাক বাচি লব। কেৱল এনেয়ে প্ৰথম পাঠৰ পৰা আৰম্ভ নকৰিব।
- সপ্তাহে সপ্তাহে আপোনাৰ লোকবিলাকক অধ্যয়নৰ প্ৰয়োজন কি, ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনাৰে জানিব খোজক। নতুনকৈ জন্মা শিশুৰ দৰে, নতুন মণ্ডলীৰ দৰ্কাৰী প্ৰয়োজন আপুনি পূৰ কৰা উচিত। দুটা মণ্ডলীয়ে পৰিপক্কতালৈ একে পথকে অনুসৰণ নকৰে।



**জ্ঞানী মেৰৰখীয়াই তেওঁৰ জাকৰ মেৰৰ মাত অতি সাৱধানেৰে শুনে - 'শুনিবলৈ কাণ আছে।**

- এই প্ৰয়োজন আৰু সুযোগবিলাকৰ ভাল-বেয়া বুজি পাবলৈ, আপোনাৰ লোকবিলাকৰ কথা মনোযোগেৰে শুনক।
- প্ৰত্যেক পৰিচৰ্য্যাৰ কেইবাটাও অধ্যয়নবিলাক আছে। উদাহৰণস্বৰূপে, উপাসনাত প্ৰভু-ভোজ, যীচুৰ উত্থান পালন কৰা আৰু উপাসনাৰ আন আন বিষয়বিলাক আছে।
- প্ৰত্যেকভাগৰ পালক আৰু ল'ৰা-ছোৱালীৰ কাৰণে একে অধ্যয়ন বিষয়বস্তু আছে। বয়স্থ সকলে শিকিব লগীয়া বিষয়ৰ লগত সম্বন্ধ থকা বাইবেলৰ এটি কাহিনী ল'ৰা-ছোৱালীৰে আগতীয়াকৈ শিকাত এই অধ্যয়নে সহায় কৰিব। ল'ৰা-ছোৱালীয়ে বয়স্থসকলৰ নিমিত্তে উপাসনাৰ সময়ত বাইবেলৰ কাহিনীটো নাটক কৰি দেখুৱাব পাৰে।
- ৰখীয়া অধ্যয়নৰ "ৰখীয়া / পালক" শব্দটি ওপৰত দিয়া আছে। অধ্যয়নৰ সংখ্যাৰ অন্ত 'a' আখৰেৰে হৈছে।
- ল'ৰা-ছোৱালীৰ অধ্যয়নৰ "ল'ৰা-ছোৱালী" শব্দটি ওপৰত দিয়া আছে। অধ্যয়ন সংখ্যাৰ অন্ত 'b' আখৰেৰে হৈছে।
- কোনো বিভাগত বিষয়বস্তুৰ অত্যাধিক খবৰৰ বাবে ওপৰঞ্চি অধ্যয়ন দিয়া আছে।
- প্ৰত্যেক নতুন 'Shepherd's study' 'ৰখীয়া / পালকৰ' অধ্যয়নত কেইবাটাও কাম-কাজ দিয়া আছে। আপুনি সেই গোটেইবোৰ কৰাৰ প্ৰয়োজন নাই।

**৫। আপোনাৰ জাকক যিকোনো কাম কৰা অথবা চলোৱাৰ আগেয়ে ভালদৰে যুগুত হওঁক।**

- কাম আৰম্ভ কৰাৰ এসপ্তাহ আগেয়ে উচিত ভাবে প্ৰস্তুত হ'বলৈ নিজকে আৰু লোকবিলাককো শিক্ষা দিয়ক।
- উপাসনা সময়ৰ কাৰণে তেওঁবিলাকে কি যুগুত কৰিছে, উপাসনাৰ চলাওঁতাক ল'ৰা-ছোৱালীৰ শিক্ষকৰ লগত ঠিক কৰিবলৈ কওঁক। সপ্তাহটোৰ বিষয়বস্তুৰ লগত খাপ খুৱাকৈ গীত আৰু উপাসনাৰ কৰিবলগীয়া কাম বাচি ল'বলৈ উপাসনাৰ চলাওঁতাক কওঁক।
- আপোনাৰ জাকটি তাকৰীয়ানে? উপাসনালৈ যুগুত হওঁতে, বিশেষকৈ অৱহেলা কৰাত চয়তানে পালকক প্ৰলোভন দেখুৱায়। চাৰিটা কাৰণত ডাঙৰ মণ্ডলীতকৈ সৰু গোটবোৰ আগতীয়াকৈ প্ৰস্তুত হোৱা অতি গুৰুত্বপূৰ্ণ ঃ

  ১) নতুন নিয়মে কোৱাৰ দৰে, উপাসনাৰ সময়ত আটাইয়ে ভাগ লব পৰাই হৈছে সৰু মণ্ডলীবিলাকৰ সমৰ্থ। ডাঙৰ মণ্ডলীবিলাকতকৈ সৰু মণ্ডলী / গোট বিলাকতে অনেক লোকবিলাক খ্ৰীষ্টলৈ আহে আৰু তেওঁৰ পৰিচৰ্য্যা কৰে। যদিহে আমি সহায়কাৰীসকলক আগতীয়াকৈ প্ৰস্তুত নকৰোঁ, আমি তেওঁবিলাকৰ সহভাগিতা হেৰুৱাম। সকলো গুৰুত্বপূৰ্ণ কামবিলাক চলাওঁতাই কৰিব - একোটা পাপ যিহে পবিত্ৰ আত্মাক দুঃখ দিয়ে। ঈশ্বৰে আমাক চলাবলৈ দিয়া জাকক ই অকামিলা কৰে।

  ২) ডাঙৰ মণ্ডলীৰ দৰে, সৰু গোটবিলাকৰ লোককো একে ধৰণৰ প্ৰয়োজনবিলাক আছে, যিহৰ বাবে প্ৰাৰ্থনা সহকাৰে প্ৰস্তুতিৰ প্ৰয়োজন।

  ৩) ডাঙৰ মণ্ডলীবোৰত প্ৰায়ে অভিজ্ঞ, শিক্ষিত পালকসকল থাকে। তেওঁলোকে উপাসনাৰ আগেয়ে অনেক যোগাৰ কৰিবলৈ সময় ও অৰ্হতা আছে। অৱশ্যে, সৰু গোটবিলাক অতি সোনকালে বাঢ়ে আৰু সেয়ে উপযাচি কাম কৰা পালক সকল থাকে যিসকল কম অভিজ্ঞ আৰু কম শিক্ষিত। তেওঁলোকে উপাসনাৰ সময়লৈকে যুগুত হ'বলৈ ৰ'লে, তেওঁলোকৰ প্ৰস্তুতি তেনেই অকামিলা হ'ব, সেয়ে ঈশ্বৰৰ লোকবিলাকক তেওঁৰ আশীৰ্ব্বাদৰ পৰা বঞ্চিত কৰা হ'ব।

  ৪) কেৱল উপাসনাৰ সময়তে নহয়, কিন্তু প্ৰাৰ্থনা সহকাৰে সহকাৰী সকলৰ আঁচনি আৰু প্ৰস্তুতিত পবিত্ৰ আত্মাই অতি ক্ষমতাৰে কাৰ্য্য কৰে। যীচু আৰু পৌলে কৰাৰ দৰে নতুন চলাওঁতাবিলাক প্ৰস্তুত কৰোঁতে ঈশ্বৰে কেইগৰাকীমান সহকৰ্ম্মীৰ লগত এই কাৰ্য্য ব্যৱহাৰ কৰিছিল।

**৬। জাকক চলাবলৈ আনৰ লগত একেলগে কাৰ্য্য কৰা।**

- জ্ঞানী চলাওঁতাজনে কেতিয়াও অকলে কাম নকৰে। যীচু আৰু পাঁচনিবিলাকে অকলে কাম কৰা নাছিল। উপাসনা চলাবলৈ আৰু আপোনাৰ জাকক চলাবলৈ আন কৰ্ম্মীসকলক যুগুত কৰক। সপ্তাহটোত বিশেষ প্ৰয়োজনীয় কামৰ পৰিচৰ্য্যা কৰিবলৈ কোনো কোনো ডিকন হ'ব।
- যদিহে আপুনি উপাসনা পৰিচালনা কৰিবলৈ কোনো জনক যুগুত কৰিছে, তেনেহ'লে তেওঁলোকক পৌল-তীমথিয় অধ্যয়নৰ (Paul-Timothy Study) উপাসনা চলাওঁতা আৰু তেওঁবিলাকৰ সহায়কাৰী সকলৰ নিৰ্দ্দেশাৱলী পঢ়িবলৈ দিয়ক। A0e
- ল'ৰা-ছোৱালীৰ শিক্ষকসকলৰ নিমিত্তে, প্ৰতি সপ্তাহে ল'ৰা-ছোৱালীৰ অধ্যয়নৰ এটা কপি দিব।

**৭। প্ৰত্যেক নতুন পালকৰ অধ্যয়নৰ তিনিটা ভাগ কৰক।**

- ভাগ তিনিটা হৈছে ঃ

  ১) আমাৰ অন্তৰ আৰু মন ঈশ্বৰৰ বাক্যৰে যুগুত কৰক।

  ২) আপোনাৰ লোকসকলে পিছৰ সপ্তাহটোত কি কৰিব সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক।

  ৩) হ'বলগীয়া উপাসনা সময়ৰ বাবে আপোনাৰ সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।

- ভাগ ১ - আপোনাৰ অন্তৰ আৰু মন ঈশ্বৰৰ বাক্যৰে যুগুত কৰক।

  উপাসনাৰ সময়ত ভাগ লোৱা এক বা দুই সপ্তাহ আগেয়ে পৌল তীমথিয় অধ্যয়ন আৰম্ভ কৰক। ইয়াৰ অৰ্থবিলাক বুজি পোৱাত সময় লয়, ইয়াৰ বাবে প্ৰাৰ্থনা কৰক আৰু তেওঁবিলাকৰ জীৱনত কেনেদৰে ব্যৱহাৰ কৰিব আৰু পিছৰ সপ্তাহত ইয়াৰ লগত সম্বন্ধিত কাম কৰিব সেই বিষয়ে চিন্তা কৰক।

- ভাগ ২ - আপোনাৰ লোকসকলে পিছৰ সপ্তাহত কি কৰিব আপোনাৰ সহকৰ্ম্মীসকলৰ লগত আঁচনি কৰক।

  সপ্তাহটোৰ পিছৰ উপাসনাৰ সময়ত আপোনাৰ লোকবিলাকে কি কৰিব তাৰে আঁচনি কৰিবলৈ উপাসনা গীৰ্জ্জাৰ কেইবাদিন আগেয়ে আপোনাৰ সহায়কাৰীসকলক লগ ধৰক। তেওঁলোক কৰিব লগা সকলো বিষয়কে প্ৰত্যেক অধ্যয়নতে পৰামৰ্শ দিয়া আছে। আপোনাৰ লোকবিলাকে কি কৰা ঈশ্বৰে ইচ্ছা কৰে, এই কথা যদি আপোনাৰ মনত আছে, তেনেহ'লে অৰ্থপূৰ্ণ উপাসনা ও শিক্ষা প্ৰস্তুত কৰাত অতি সহজ।

- ভাগ ৩ - হ'বলগীয়া উপাসনা সময়ৰ বাবে সহ-কৰ্ম্মী সকলৰ লগত আঁচনি কৰক।

  উপাসনা প্ৰস্তুত আৰু শিক্ষা দিয়াত আপোনাৰ সহকৰ্ম্মীসকলে আপোনাক সহায় কৰা উচিত। প্ৰতিগৰাকী অংশ গ্ৰহণকাৰীয়ে প্ৰাৰ্থনা আৰু ভালদৰে প্ৰস্তুত হ'ব নিমিত্তে, উপাসনাৰ বাবে কেইবাদিনৰ আগৰে পৰাই আঁচনি কৰক। পদ্য কোৱা আৰু নাটকত অংশ লোৱা সকলক অনুশীলনীৰ বাবে সময় দিয়ক। এইয়ে সম্ভৱ নহ'লে, উপাসনা চলোৱাত সহায়কাৰী সকলে অতি কমেও এঘন্টা আগেয়ে মিলিত হৈ প্ৰাৰ্থনা ও আঁচনি যুগুত কৰক। কেৱল কেইগৰাকীমানেহে উপাসনা সভাখন চলাই নাথাকে, সকলো অংশ গ্ৰহণকাৰী সকলক মুকলি ভাবে ভাগ লোৱাত সহায় কৰক।

**৮। উপাসনাৰ কাম-কাজত ল'ৰা-ছোৱালীকো সুমুৱাই লওঁক।**

- উপাসনাত ল'ৰা-ছোৱালীয়ে ভাগ ল'বলৈ, ল'ৰা-ছোৱালীৰ শিক্ষকৰ লগত ব্যৱস্থা কৰক। ল'ৰা-ছোৱালীৰ অধ্যয়নত, তেওঁলোকে উপাসনা সময়ত নাটক আদি কৰিবলৈ বাইবেলৰ গল্পবোৰ দিয়া আছে। বয়স্থ আৰু ল'ৰা-ছোৱালীক যিমান সম্ভৱ একেলগে কামবোৰ কৰিবলৈ দিয়ক।
- খ্ৰীষ্টক গ্ৰহণ কৰা ওচৰ-চুবুৰীয়া ল'ৰা-ছোৱালী ও পিতৃ-মাতৃক, নাটক কৰাত সহায় কৰিবলৈ মাতক। অৱশ্যে কোনো বিশেষ গুৰুত্বপূৰ্ণ ভাগ তেওঁলোকক নিদিব - কাৰণ হয়তো তেওঁলোকে নাহিবও পাৰে।

**৯। ইজনে সিজনৰ বাবে প্ৰাৰ্থনা কৰিবলৈ আৰু পৰামৰ্শ দিবলৈ সৰু গোট গঠন কৰক।**

- ঈশ্বৰৰ ইচ্ছাৰ দৰে কিছুমান কাম আমি সৰু গোটত মিলিত হৈ পৰস্পৰৰ কথা শুনিহে কৰিব পাৰোঁ। বিভিন্ন প্ৰকাৰে আমি ইজনে সিজনৰ পৰিচৰ্য্যা কৰিব লাগে বুলি ঈশ্বৰে ইচ্ছা কৰে।

  ইজনে সিজনক উপদেশ দিয়ক ঃ ৰোমীয়া ৫ঃ১৪

  পৰস্পৰে উৎসাহ দিয়া ঃ কলচীয়া ৩ঃ১৬; ইব্ৰী ১০ঃ২৫

  পৰস্পৰক উদ্‌গোৰা ঃ ইব্ৰী ৩ঃ১৩

  প্ৰেমত আৰু সৎকৰ্মত পৰস্পৰে উত্তেজিত কৰা ঃ ইব্ৰী ১০ঃ২৪

  পৰস্পৰক শান্তনা (শক্তিশালী, গঢ়ি তোলা) দিয়া ঃ ১ থিচ. ৪ঃ১৮; ৫ঃ১,১১

  ইজনে সিজনৰ আগত ভুলবোৰ স্বীকাৰ কৰা ঃ যাকোব ৫ঃ১৬

  ইজনে সিজনৰ কাৰণে প্ৰাৰ্থনা কৰা ঃ যাকোব ৫ঃ১৬



**উপাসনাৰ সময়ত সৰু গোটত**
**আমি ইজনে সিজনক সহায় কৰিলে ঈশ্বৰৰ**
**পবিত্ৰ আত্মাই কিমান ক্ষমতাৰে কাৰ্য্য কৰে।**

**১০। সৰু গোটত খাপ খুৱাকৈ ঈশ্বৰৰ বাক্য শিকাওক আৰু উপাসনা কৰক।**

- উপাসনাৰ সময়ত সকলোকে ভাগ লোৱাত পাঁচনি পৌলে ইচ্ছা কৰিছিল ১কৰিন্থীয়া ১৪ঃ১৬, “যেতিয়া তোমালোক গোট খোৱা, তেতিয়া কোনোজনৰ গীত, কোনোজনৰ উপদেশ, কোনোজনৰ প্ৰকাশিত বাক্য, কোনোজনৰ পৰভাষা, কোনো জনৰ তাৰ অৰ্থ প্ৰকাশ কৰা কথা আছে। ধৰ্ম্মত বৃদ্ধি কৰিবলৈ, সকলো কৰা হওঁক।”
- জ্ঞানী পালকজনে সৰু মণ্ডলীবোৰত ঈশ্বৰৰ বাক্য প্ৰচাৰ কৰিবলৈ পৰম্পৰাগত ওখ ঠাই (Pulpit) ব্যৱহাৰ নকৰে। বৰং তেওঁলোকে শিকা ঈশ্বৰৰ বাক্যৰ সত্যতা কেনেদৰে ব্যৱহাৰ কৰিব, সেই বিষয়ে লোকবিলাকক প্ৰশ্ন সুধিবলৈ আৰু তাৰ উত্তৰ দিবলৈ কয়।
- শিক্ষা অধিক শক্তিশালী কৰিবলৈ পৌল-তীমথিয় অধ্যয়নে প্ৰশ্ন, পদ্য, কাহিনী আৰু নাটক কৰাৰ আলোচনাবোৰ যোগায়। কাহিনীবোৰ সহজে মনত ৰাখিব পাৰে আৰু আপোনাৰ লোকবিলাকে ঈশ্বৰৰ বাক্য আন লোকক কোৱাত সহায় কৰে।
- উপাসনা ঠাইখিনিত চকীবোৰ ঘূৰণীয়াকৈ থব, যাতে যেন লোকবিলাকে ইজনে সিজনৰ মুখ দেখা পায়, আৰু সহজে কথা পাতিব পাৰে।
- পৌল-তীমথিয় অধ্যয়নৰ আটাইবিলাক বাচি লবলৈ দিয়া কামবোৰ কৰিবলৈ চেষ্টা নকৰিব। আপোনাৰ লোকবিলাকৰ মন আকৃষ্ট কৰা আৰু সংস্কৃতিৰ লগত খাপ খোৱা কামবোৰ বাচি লব।

**১১। প্ৰভুৰ ভোজ নিয়মীয়াকৈ পালন কৰক ঃ**

- প্ৰত্যেক নতুন ৰখীয়া / পালকৰ অধ্যয়নে প্ৰভু ভোজ স্থাপন কৰাত একোটা পৃথক বাইবেলৰ অংশ দিছে।
- কিছুমান মণ্ডলীয়ে প্ৰভু-ভোজ স্থাপন কৰাত ১কৰিন্থীয়া ১১ৰ অংশখিনিহে কেৱল ব্যৱহাৰ কৰে। এই অংশখিনি মাজে সময়ে ব্যৱহাৰ কৰিব লাগে কাৰণ ইয়াত প্ৰভু ভোজৰ গুৰুত্বপূৰ্ণ নিৰ্দেশাৱলী আছে। অৱশ্যে, এইখিনিকে প্ৰত্যেকবাৰে ব্যৱহাৰ কৰিলে ঈশ্বৰৰ বাক্য আৰু যীচুৰ বলিদানৰ মূল্যবান আৰু উৎসাহজনক উপদেশবোৰ লোকবিলাকে হেৰুৱায়।

**১২। উপাসনাৰ সময়ত ঈশ্বৰে কি কৰিছে, আপোনাৰ লোকবিলাকক বৃত্তান্ত দিবলৈ দিয়ক।**

- কোনো জনক ঈশ্বৰে আৰোগ্য কৰিছেনে? মন্দ অভ্যাসবোৰৰ ওপৰত বিশ্বাসীবিলাকে জয়ী হৈছেনে? লোকবিলাক খ্ৰীষ্টলৈ আহিছেনে? নতুন মণ্ডলী স্থাপন হৈছেনে? নতুন পৰিচৰ্য্যা কাৰ্য্য আৰম্ভ হৈছেনে? ঈশ্বৰে কি কৰিছে, লোকবিলাকক ক'বলৈ কওঁক, আৰু তেওঁৰ প্ৰশংসা কৰক।
- লোকবিলাকে কৰা কাৰ্য্যৰ শলাগ ল'বলৈ তেওঁবিলাকক উৎসাহ দিয়ক। এনে কাৰ্য্যই আন লোককো প্ৰাৰ্থনা আৰু অধিককৈ ঈশ্বৰৰ কাৰ্য্য কৰাত উৎসাহ যোগায়।

**১৩। উপাসনাত কৰিবলৈ সপ্তাহটোত আঁচনি প্ৰস্তুত কৰক ঃ**

- আপোনাৰ সহ-কৰ্ম্মীসকলৰ লগত কামবিলাক কৰিবলৈ কৰা আঁচনি উপাসনাৰ সময়ত জাননী দিয়ক।
- সপ্তাহটোত খ্ৰীষ্টৰ পৰিচৰ্য্যা কেনেদৰে কৰিব - আপোনাৰ লোকবিলাকৰ মতা-মত জনাবলৈ দিয়ক।
- পৰিচৰ্য্যা কৰিবলৈ ইচ্ছা থকা সকলক, ঈশ্বৰে দিয়া আত্মিক দানবোৰৰ যোগেদি কাৰ্য্য কৰাত সহায় কৰক। যেনে ঃ

  শুভবাৰ্ত্তাৰ প্ৰচাৰ কৰাৰ দান -- আনক যীচুৰ বিষয়ে কোৱা, লূক ২৪ঃ৪৬-৪৮,

  সাহায্য কৰাৰ দান -- সহায়ৰ প্ৰয়োজন হোৱা জনৰ পৰিচৰ্য্যা কৰা, গালাতীয়া ৫ঃ১৩

  পালকৰ দান -- আপোনাৰ পৰিয়ালত ঈশ্বৰৰ বাক্য খটুৱাত সহায় কৰক। ইফিচীয়া ৫ঃ২১-৩৩; ৬ঃ১-৪

  জ্ঞানৰ দান -- সমাজত ঈশ্বৰৰ প্ৰভাৱ অনা, মথি ৫ঃ১৩,১৪

  দয়াৰ দান -- প্ৰয়োজনত থকা জনৰ পৰিচৰ্য্যা কৰক, মথি ২৫ঃ৩১-৪৬,

  উদ্‌গনিৰ দান -- আনক আশ্বাস আৰু শান্তনা দিয়া, ১থিচল ৫ঃ১১,

  সুস্থ কৰাৰ দান -- ৰোগীৰ বাবে প্ৰাৰ্থনা কৰক আৰু আৰোগ্য লভক, যাকোব ৫ঃ১৩-১৬।

  নেতৃত্ব দিয়াৰ দান -- একে ধৰণৰ মণ্ডলীৰ লগত সহযোগ কৰা, পাঁচনিৰ কৰ্ম্ম ১৫ঃ৪১।

  দান দিয়াৰ দান -- প্ৰয়োজনীয় প্ৰকল্পৰ কাৰণে সমল যোগাওক, ১ কৰিন্থীয়া ৮ঃ১-৪।

**১৪। মহিলা আৰু ল'ৰা-ছোৱালীক পৰিচৰ্য্যা কৰাৰ সুযোগ দিয়া।**

- ঈশ্বৰে দিয়া দান মহিলাসকলে ব্যৱহাৰ কৰা উচিত। কিছুমান সংস্কৃতিয়ে পুৰুষে মহিলাক শিক্ষা অথবা উপদেশ দিবলৈ নিদিয়ে। আন কিছুমানে ঈশ্বৰৰ ভয়কাৰী মহিলাক এই অনুমতি দিয়ে, যেনেদৰে প্ৰিস্কিলাই আপল্লোক শিক্ষা দিছিল (পাঁচনিৰ কৰ্ম্ম ১৮ঃ২৬)। আটাই সমাজৰ সংস্কৃতিতে মহিলা সকলে যুৱতীবিলাকক শিক্ষা দিয়া উচিত (তীত ২ঃ৩-৫)।
- ডাঙৰ ল'ৰা-ছোৱালীক সৰুবিলাকৰ শিষ্য কৰাত উৎসাহিত কৰক। ই দুয়োকো বৃদ্ধি হোৱাত সহায় কৰে।
- সপ্তাহটোত পৰিচৰ্য্যা কৰিবলৈ গোট খোৱা মহিলাসকলে ডিকন সকলৰ নিমিত্তে ডিকনৰ অধ্যয়নৰ নিৰ্দ্দেশাৱলী পঢ়া উচিত।

**১৫। নতুন পালকৰ / ৰখীয়াৰ অধ্যয়ন আপোনাৰ পঢ়ি শেষ হ'লে, ওপৰঞ্চি অধ্যয়নবিলাকক কৰক।**

- নতুন (চেপহাৰ্ড ষ্টাডি) পালকৰ অধ্যয়নবিলাক চুটী আৰু সৰল, কিন্তু কাৰ্য্য বৃদ্ধিৰ কাৰণে ইয়াৰ দ্বাৰা মজবুত ভেঁটি স্থাপন হয়। আপুনি এইবোৰ আওকান কৰিলে, পিছলৈ আপোনাৰ পৰিচৰ্য্যাত কলা দাগ পৰি অধিক দুৰ্বল কৰিব।
- নতুন চেপহাৰ্ড ষ্টাডিত থকা বিষয়বোৰতকৈ অধিক বহুলভাৱে অধ্যয়ন কৰিবলৈ, কিছুমান বিষয়ৰ লগত যোগাযোগ থকা ওপৰঞ্চি অধ্যয়নবিলাক আপুনি পঢ়িব পাৰে।

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.